**Series JSR**

**SET-4**

**Code No. 15**

**Roll No.** | | | | | | | |

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **8** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **16** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

**SUMMATIVE ASSESSMENT - II**

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘণ্টা*
*Time allowed : 3 hours*

*সৰ্বমুঠ নম্বৰ : 90*
*Maximum Marks : 90*

The question paper is divided into four sections

| | |
|---|---|
| SECTION A : Reading (Comprehension) | 15 marks |
| SECTION B : Writing | 15 marks |
| SECTION C : Grammar | 25 marks |
| SECTION D : Literature/Text Books | 35 marks |

## SECTION - A

**1. তলৰ অনুচ্ছেদটো ভালদৰে পঢ়ি নিৰ্দেশ অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ লিখিবা-**

বিজ্ঞানৰ জয়যাত্ৰাৰ পূৰ্বত প্ৰকৃতিৰ বুকুত সততে বিৰাজ কৰিছিল প্ৰাকৃতিক ভাৰসাম্যতাই। তেতিয়া বায়ুমণ্ডলত আমাৰ অতিকে প্ৰয়োজনীয় অক্সিজেন অফুৰন্তভাবে আছিল। খাদ্য সামগ্ৰী আৰু খোৱাপানী আছিল বিশুদ্ধ আৰু পুষ্টিযুক্ত। মানৱ জীৱনৰ বিকাশ নিৰ্ভৰ কৰে বিশুদ্ধ খাদ্য-সামগ্ৰী, বীজানুমুক্ত পানী আৰু নিৰ্মল বায়ুৰ ওপৰত। এই তিনিটি সামগ্ৰীয়েই আকৌ নিৰ্ভৰ কৰে পৰিবেশৰ ওপৰত।

মানুহে নিজৰ সুবিধাৰ বাবে অকৃত্ৰিম প্ৰাকৃতিক পৰিবেশ বিনষ্ট কৰিবলৈ কুণ্ঠিত হোৱা নাই। বিজ্ঞানৰ জয়যাত্ৰাৰ পৰিণতিয়ে পৃথিৱীৰ বুকুত প্ৰতিষ্ঠা কৰিলে অতি যান্ত্ৰিকতা। ইয়াৰ দ্বাৰা পৰিবেশ দূষিত হৈ উঠিল। পৃথিৱীৰ বায়ুমণ্ডলত এতিয়া দূৰ অতীতৰ বিশুদ্ধতা আৰু নিৰ্মলতা নোহোৱা হ'ল। দূষিত প্ৰাকৃতিক পৰিবেশে অহৰহ আহ্বান জনাই আছে সৰ্বব্যাপী ক্ষয় আৰু অৱক্ষয়ৰ বিভীষিকা।

অক্সিজেনৰ প্ৰাচুৰ্যই জীৱজগত, প্ৰাণীজগত আদি সকলোকে ধ্বংস আৰু অৱক্ষয়ৰপৰা ৰক্ষা কৰে; কিন্তু আমাৰ প্ৰাণস্বৰূপ এই অক্সিজেন নিৰ্মমভাৱে ধ্বংস কৰা হৈছে। পণ্ডিতসকলৰ মতে জুইৰ আৱিস্কাৰৰ জৰিয়তে মানৱ সভ্যতাই এক উন্নততৰ অৱস্থাত উপনীত হ'বলৈ সক্ষম হ'ল যদিও ইয়াৰ বিপৰীতে জুইৰ আবিস্কাৰে আমাৰ প্ৰাণস্বৰূপ অক্সিজেনৰ ধ্বংসলীলাৰ পথ প্ৰশস্ত কৰি দিলে। উদ্ভিদ জগতৰ সৈতে প্ৰাণী জগতৰ গভীৰ সম্পৰ্ক আছে। গছ থাকিলেহে মানুহ জীয়াই থাকিব পাৰিব। সেইবাবে ডাকৰ বচনত কোৱা হয়-''বৃক্ষ ৰোপণত অধিক ধৰ্ম।'' গছ-গছনিৰ লগত থকা জীৱ জগতৰ এই গভীৰ সম্পৰ্কৰ প্ৰতি লক্ষ্য কৰিয়েই বৈদিক ঋষি-মুনি সকলে গছ-গছনিক দেৱতা জ্ঞান কৰিছিল। মানুহ আৰু আন আন প্ৰাণীয়ে বায়ুমণ্ডলৰ পৰা অক্সিজেন গ্ৰহণ কৰি কাৰ্বন-ডাই-অক্সাইড গেছ এৰি দিয়ে। আনহাতে গছ-গছনিবোৰে সেই দূষিত কাৰ্বন-ডাই-অক্সাইড গেছ গ্ৰহণ কৰি অক্সিজেন গেছ এৰি দিয়ে। মুঠতে গছ-গছনি অৰ্থাৎ বননি-অৰণ্য আদিয়ে মানৱ জাতিৰ জীৱন ৰক্ষাৰ বাবে অহৰহ অৰিহনা আগবঢ়াই আহিছে।

প্ৰকৃতিৰ ভাৰসাম্যতা মানৱে ৰক্ষা কৰিব পৰা নাই। মানুহে নিজৰ প্ৰয়োজনত গছ্-গছনি আদি নিৰ্দয়ভাবে কাটি-ছিঙি মোহাৰি পেলাইছে। অনেক বননি, অনেক অৰণ্য ধ্বংস হ'ল। ইয়াৰ পৰিণতিত অক্সিজেন পৰিশোধনৰ অন্যতম মাধ্যম হাবি-বননি ধ্বংস কৰি মানুহে যেন নিজেই নিজৰ মৃত্যু মাতি আনিছে। পৰিবেশ প্ৰদূষণত শিল্প-বিপ্লৱেও যে নিষ্ঠুৰ ভূমিকা গ্ৰহণ কৰি আহিছে তাত সন্দেহ নাই। কল-কাৰখানা, ৰেল-জাহাজ- মটৰ গাড়ী আদিৰ বিষাক্ত ধোঁৱা, এইবোৰৰ কান-তাল মৰা কৰ্কশ শব্দৰ দ্বাৰা পৰিবেশ দূষিত হৈছে। বিংশ শতিকাৰ মাজভাগৰ পৰা আৰম্ভ হৈছে পাৰমাণৱিক যুগ। কাঠ, কয়লা, তেল আদিৰ দহনত বায়ুমণ্ডল দূষিত হোৱা স্বাভাৱিক কথা। কিন্তু ইয়াতকৈ অনেকগুণে বায়ুমণ্ডল দূষিত হয় পাৰমাণৱিক দহনত। দ্বিতীয় মহাযুদ্ধত পাৰমাণৱিক বোমা-বৰ্ষণৰ ফলস্বৰূপে হিৰোচিমা আৰু নাগাচাকি ধ্বংস হ'ল সঁচা; কিন্তু ইয়াৰ প্ৰতিক্ৰিয়া কেৱল জাপানতেই সীমিত নাথাকি, সমস্ত ভূমণ্ডল বিস্তৃত হৈছে। ইয়াৰ পৰিণতিত সমগ্ৰ পৃথিৱীৰ মানুহ, জীৱ-জন্তু আৰু উদ্ভিদৰ দেহ যে আক্ৰান্ত হৈছে তাত সন্দেহ নাই। পৰীক্ষামূলকভাবে কৰা পাৰমাণৱিক বোমা বিস্ফোৰণৰ জৰিয়তেও বায়ুমণ্ডল দূষিত হৈছে। ইয়াৰ বাহিৰেও পৃথিৱীৰ দেশে দেশে আৰম্ভ হৈছে ৰাসায়নিক আৰু জীৱানুযুদ্ধৰ প্ৰস্তুতি। ইৰাক-ইৰানৰ মাজত হোৱা যুদ্ধৰ পৰিণতিত ৰাসায়নিক দ্ৰব্যৰ দ্বাৰা সাগৰ-মহাসাগৰৰ জল দূষিত হৈছিল আৰু ইয়াৰ দ্বাৰা আক্ৰান্ত হৈ অসংখ্য জলচৰ জীৱৰ মৃত্যু হৈছিল। ভূপালৰ ৰাসায়নিক বিস্ফোৰণত অসংখ্য মানুহ আৰু জীৱ-জন্তুৰ অকালতে মৃত্যু হৈছিল।

পৰিবেশ প্ৰদূষণৰ পৰিণতিত মৃত্যু, ক্ষয় আৰু ৰিক্ততাৰ প্ৰকোপ লাহে লাহে বাঢ়ি আহিছে। মৰুভূমিবোৰ প্ৰসাৰিত হৈছে ; বায়ুমণ্ডলৰ ভাৰসাম্য নষ্ট হোৱা বাবে কোনো কোনো ঠাইত বৰষুণৰ পৰিমাণ বৃদ্ধি পাইছে ; কোনো কোনো ঠাইত বৰষুণৰ পৰিমাণ হ্ৰাস পাইছে। উদাহৰণ স্বৰূপে মেঘালয়ৰ চেৰাপুঞ্জি পৃথিৱীৰ ভিতৰতে অতিবৃষ্টিৰ বাবে প্ৰসিদ্ধ স্থানখনে প্ৰদূষণৰ পৰিণতিত সেই গৌৰৱ হেৰুৱাবলৈ উপক্ৰম কৰিছে। ঋতু পৰিবৰ্তন প্ৰক্ৰিয়াও ক্ৰমশঃ ব্যাহত হ'বলৈ ধৰিছে। ভূ-পৃষ্ঠৰ ক্ষয়ৰ পৰিমাণ বাঢ়ি গৈছে আৰু শস্য উৎপাদনৰ ক্ষমতাও যেন পৃথিৱীয়ে হেৰুৱাবলৈ উপক্ৰম কৰিছে।

দূষিত বায়ুমণ্ডলৰ প্ৰতিক্ৰিয়াত জনসাধাৰণে যক্ষ্মা, ক্ষয়ৰোগ, হৃদৰোগ, শ্বাসৰোগ, স্নায়ুৰোগ আদিত ভুগিব লগা হৈছে। এনেদৰে পৰিবেশ প্ৰদূষণে ভয়াবহ ৰূপ ধাৰণ কৰিছে।

(i) মানৱ জীৱনৰ বিকাশ কিহৰ ওপৰত নিৰ্ভৰ কৰে? 1

(ii) শিল্পবিপ্লৱে পৰিবেশ প্ৰদূষণত কেনে ভূমিকা লৈছে? 1

(iii) গছ-গছনিয়ে জীৱজগতক, মানুহক কিদৰে সহায় কৰে? 1

(iv) কেতিয়াৰ পৰা পাৰমাণৱিক যুগ আৰম্ভ হৈছে? 1

(v) দ্বিতীয় মহাযুদ্ধত পাৰমাণৱিক বোমা-বৰ্ষণত কোন দুখন চহৰ ধ্বংস হৈছিল? 1

(vi) ইৰাক-ইৰানৰ মাজত হোৱা যুদ্ধৰ ফলত : 1

বায়ু প্ৰদূষণ / জল প্ৰদূষণ / শব্দ প্ৰদূষণ হৈছিল

(vii) ভূপাল ক'ত অৱস্থিত ? 1

(viii) চেৰাপুঞ্জিয়ে কিয় নিজৰ গৌৰৱ হেৰুৱাব লগাহৈছে? 1

(ix) ৰেল আৰু মটৰ গাড়ীয়ে দুই ধৰনৰ প্ৰদূষণ সৃষ্টি কৰে। কি কি? 1

(x) জুইৰ আৱিষ্কাৰৰ ফলত কি অনিষ্ট হ'ল? 1

(xi) পৰিবেশ প্ৰদূষণৰ ফলত কি কি ৰোগ হ'ব পাৰে? 1

(xii) পৰিশোধন শব্দৰ অৰ্থ-ধাৰমৰা / বিশুদ্ধকৰা / চৰ্চা কৰা। 1

(xiii) ''অতিবৃষ্টি'' শব্দৰ বিপৰীত অৰ্থবোধক শব্দ হ'ল-অনাবৃষ্টি / বৃষ্টিহীন / অপবৃষ্টি 1

(xiv) তলত দিয়া সন্ধিৰ শুদ্ধ ৰূপটো লিখা- 1

আৱিষ্কাৰ = আৱি + ষ্কাৰ / আৱিঃ + কাৰ / আৱি + কাৰ

(xv) ''নিৰ্দয়'' শব্দত থকা উপসৰ্গ হ'ল- 1

নি / নিঃ / নিৰ

## SECTION - B

2. (ক) **তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প এটা লিখি, তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা-** **6+2+2=10**

দুষ্ট ভেৰাৰখীয়া ল'ৰা- হাবিৰ কাষত ভেৰা চৰায় .....এদিন বাঘ ওলোৱা বুলি মিছাকৈ চিঞৰিলে..... গাঁৱৰ মানুহ লাঠি-টাঙোন লৈ আহিল ..... মানুহবোৰক দেখি ল'ৰাটোৱে হাঁহিব ধৰিলে..... মানুহবোৰে বেয়াপালে..... আন এদিন সচাঁকৈ বাঘ ওলাল..... সহায়ৰ বাবে চিঞৰিলে..... কোনো নগ'ল..... বাঘে ভেৰাৰখীয়াক মাৰি খালে....

**অথবা**

(খ) তলত দিয়া যিকোনো এটা বিষয় লৈ **দুশমান** শব্দৰ ভিতৰত **এখন** ৰচনা লিখা- **10**

(i) অসমৰ কৃষিভিত্তিক উৎসৱ

(ii) জীৱন চৰিত পাঠ

3. তলত দিয়া যিকোনো **এটা** ফকৰা-যোজনা বুজাই লিখা। **5**

(ক) কিনা হাঁহৰ ঠোঁটলৈকে মঙহ

(খ) হলা গছত আটায়ে বাগী কুঠাৰ মাৰে

**অথবা**

তোমাৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বিষয়ে জনাই দেউতালৈ **এখন** চিঠি লিখা। **5**
(চিঠিত নিজৰ নাম সাংকেতিক চিনত লিখিবা)

## SECTION - C

4. (ক) তলত দিয়া শব্দবোৰৰ প্ৰত্যয় ভাঙি দেখুওৱা- **1x4=4**

মজলীয়া, বাটৰুৱা, নামতী, টেঙৰালি

(খ) ''আল'' প্ৰত্যয় যোগ কৰি দুটা শব্দ লিখা। **1x2=2**

5. এটা শব্দত প্ৰকাশ কৰা-(**শুদ্ধ** উত্তৰটো লিখা) **1x5=5**

(ক) জুই ধৰি ৰখা ঠাই- জুইশাল / জুশাল / জুহাল

(খ) য'ত কোনো মানুহ নাই- জনশূন্য / যাযাবৰ / জনবহুল

(গ) যি ভবিষ্যত চিন্তা কৰিব নোৱাৰে- ঋণী / অদূৰদৰ্শী / ভবিষ্যতদৰ্শী

(ঘ) মাগিলেও ভিক্ষা নোপোৱা সময়- দুৰ্ভিক্ষ / দুভীক্ষা / দুৰ্বহ

(ঙ) যি ঘটনা আগেয়ে ঘটা নাই- আবিয়ৈ / অভূতপূৰ্ব / মানী

6. তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখা- **1x5=5**

অভাৱ, সঞ্চয়, শুক্ল, সদয়, সুলভ

7. লিংগ পৰিবৰ্ত্তন কৰা- **1x5=5**

মতাগৰু, ভেঁকুলী, অসমীয়া, দঁতাল, শিপিনী

8. তলত দিয়া বাক্যবোৰ **শুদ্ধ**কৈ লিখা- **1x4=4**

(ক) ল'ৰা-ছোৱালীক সদায় গালি দিয়া অনুচিত।

(খ) সি যি হওক, কামটো কৰিলো।

(গ) মানুহজনে ঘৰটো বনাইছে।

(ঘ) যোৱাকালি তেঁও আহিছিল।

## SECTION -D

**9.** প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা- (যিকোনো **এফাঁকি** কবিতাৰ) **5**

(ক) যিবিলাক ৰীতি-নীতি নৰৰ গঠিত,

সকলোতে ভাবি চোৱা স্বাৰ্থ বিৰাজিত।

(খ) ভাৰতৰ বুৰঞ্জীৰ পাতে পাতে সনা আছে বোল তাৰ।

কেতিয়াবা বিজয় উল্লাস, কেতিয়াবা মূক পৰাভৱ।

**10.** তলৰ প্ৰশ্নসমূহৰ উত্তৰ অতি চমুকৈ লিখা- **1x4=4**

(ক) কবি দুৰ্গেশ্বৰ শৰ্মাৰ মৰনোত্তৰভাৱে প্ৰকাশিত কবিতা পুথিখনৰ নাম লিখা।

(খ) কবি দুৰ্গেশ্বৰ শৰ্মাৰ কবিতাত কিহৰ ছিটিকনি আছে?

(গ) ''ওঙ্কাৰ ধাম'' শব্দৰ দ্বাৰা কবিয়ে কি বুজাব খুজিছে?

(ঘ) শৰাই ঘাটৰ যুদ্ধ কাৰ কাৰ মাজত হৈছিল?

**11.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা- **2x3=6**

(ক) মিৰজাফৰ কিদৰে বংগৰ ৰজা হৈছিল?

(খ) মানুহে কি কৰি ভাল পায় আৰু কাৰ কথা ভাবি নাচায়?

(গ) ভাৰতবৰ্ষৰ মাজেৰে কি কি নদী বৈ গৈছে?

ভাৰতৰ উত্তৰ আৰু দক্ষিণ দিশত কি কি আছে?

**12.** তাৎপৰ্য ব্যাখ্যা কৰা-**(যিকোনো এটাৰ)** **5**

(ক) অসমীয়া সমাজ-সংস্কৃতিত কাঁহ শিল্পই এক উল্লেখযোগ্য ভূমিকা গ্ৰহন কৰিছে।

(খ) এতিয়া মোৰ এটা কৰ্তব্য আছে।

13. তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা- **2x3=6**

(ক) আহোম স্বৰ্গদেৱ শিৱসিংহই জীউধন কঁহাৰক কিয় পুৰস্কাৰ দিছিল?

(খ) অভিজাত জীৱনৰ অংগ হিচাপে চিহ্নিত কেইবিধ মান কাঁহৰ সামগ্ৰীৰ নাম লিখা।

(গ) ''সেইবোৰ মানুহলৈ তেঁওৰ ঘৃণা ওপজে।''- কথাষাৰ বুজাই লিখা।

14. তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ অতি চমুকৈ লিখা- **1x4=4**

(ক) কইনাৰ সম্পৰ্কীয় মামীয়েক গৰাকীয়ে ক'ৰপৰা কিহেৰে বিয়াঘৰলৈ আহিছিল?

(খ) স্নেহদেৱীৰ গল্পবোৰৰ মাজেৰে কি প্ৰকাশ পাইছে?

(গ) কাঁহেৰে প্ৰস্তুত কৰা তিনিবিধ তালৰ নাম লিখা।

(ঘ) গড়শালৰ মুখ্য কঁহাৰজনক কি বুলি কোৱা হয়?

15. তলত দিয়া প্ৰশ্নসমূহৰ যথাযথ উত্তৰ লিখা-

(ক) বলায়ে চোৱা ভাওনাখনৰ নাম কি আছিল? **1**

(খ) প্ৰেৰনাই কিয় পানীত জাপ দিছিল? **1**

16. ''মনত ইচ্ছা থাকিলে শাৰীৰিক বাধাগ্ৰস্ততা কৃতকাৰ্যতাৰ অন্তৰায় স্বৰূপ নহয়।''- **3**
তোমাৰ অভিমত দাঙি ধৰা।